অধ্যায় ১৫ ঃ ভাৰতৰ প্ৰশাসনিক সংস্কাৰ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ প্ৰশাসনিক সংস্কাৰৰ অৰ্থ আৰু প্ৰয়োজনীয়তা
১৫.৪ প্ৰথম প্ৰশাসনিক সংস্কাৰ আয়োগ (First Administrative Reforms Commisson -ARC), ১৯৬৬
আৰু দ্বিতীয় প্ৰশাসনিক সংস্কাৰ (Second Administrative Reforms Commisson -ARC), ২০০৫ ৰ এক বিশ্লেষণ
১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৬ অধিক জানিবলৈ
১৫.৭ অগ্ৰগতিৰ খতিয়ান
১৫.৮ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰশাসনিক সংস্কাৰৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব।
- প্ৰশাসনিক সংস্কাৰৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব।
- প্ৰথম প্ৰশাসনিক সংস্কাৰ আয়োগ, ১৯৬৬ ব্যাখ্যা কৰিব পাৰিব।
- দ্বিতীয় প্ৰশাসনিক সংস্কাৰ আয়োগ, ২০০৫ ব্যাখ্যা কৰিব পাৰিব।

১৫.২পৰিচয়

এই অধ্যায়টিত আমি ভাৰতৰ প্ৰশাসনিক সংস্কাৰৰ অৰ্থ প্ৰয়োজনীয়তা, প্ৰথম আৰু দ্বিতীয় প্ৰশাসনিক সংস্কাৰ আয়োগ সম্পৰ্কে আলোচনা কৰিম। এইটো দেখিবলৈ পোৱা গৈছে যে সমগ্ৰ বছৰ ব্যাপি দেশৰ প্ৰশাসনিক ব্যৱস্থাৰ উন্নয়ন তথা বিকাশ সাধনৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহন কৰা হৈছে, এইটো পোৱা গৈছে যে, বহু সময়ত, এই পদক্ষেপ সমূহে নতুন পৰিস্থিতি বা প্ৰত্যাহ্বান সৃষ্টি কৰিছে। এই বোৰৰ ওপৰিও মানৱ সম্পদ উন্নয়নৰ জৰিয়তে দেশৰ প্ৰশাসনিক গাঁঠনি আৰু কৌশলৰ বাবে গ্ৰহণযোগ্য প্ৰচেষ্টা কৰি থকা হৈছে। ভাৰতৰ স্বাধীনতাৰ পূৰ্বে আৰু পাছত সমগ্ৰ প্ৰশাসন ব্যৱস্থাৰ সামগ্ৰীক উন্নয়নৰ বাবে বহুবোৰ আয়োগে আৰু সমিতি গঠন কৰা হৈছিল যি বোৰৰ উপদেশ বহু গঠনমূলক উপদেশ আগবঢ়াইছে।

১৫.৩ ভাৰতৰ প্ৰশাসনিক সংস্কাৰৰ অৰ্থ আৰু প্ৰয়োজনীয়তা

সংস্কাৰ শব্দটোৰ অতি সাধাৰণ অৰ্থ হৈছে এক নতুন আকাৰ বা গঠন দিয়া যিয়ে এক অধিক ভাল জীৱন আনি দিয়ে। অন্য শব্দত সংস্কাৰ হৈছে গাঁঠনি আৰু ব্যৱহাৰৰ ধাৰণাৰে এক পৰিবৰ্তিত প্ৰক্ৰিয়াৰ মত। এই অৰ্থৰ ওপৰত ভিত্তি কৰি প্ৰশাসনিক সংস্কাৰৰ অৰ্থ বুলিলে ক'ব পাৰি যে যি সজাগ, গ্ৰহনযোগ্য পৰিবৰ্তিত ব্যৱস্থা যিয়ে লোক প্ৰশাসনৰ সংগঠন বা গাঁঠনিত পৰিবৰ্তন সাধনৰ ওপৰিও ইয়াৰ গুণগত আৰু কাৰ্য ক্ষেত্ৰত উন্নয়ন সাধন কৰে। প্ৰশাসনিক সংস্কাৰৰ মূল উদ্দেশ্য হৈছে লোক প্ৰশাসনৰ ৰাষ্ট্ৰীয় উদ্দেশ্য আৰু নীতি অধিক সক্ৰিয় কৰি তোলা; লোক প্ৰশাসনৰ বিষয় বস্তু অতি ব্যাপক আৰু এই বিষয়ে প্ৰশাসনৰ কাৰ্যকৰী ক্ষেত্ৰত সাংগঠনিক গাঁঠনি, নীতি প্ৰণয়ন আৰু প্ৰশাসনৰ ব্যৱহাৰিক উদ্দেশ্য অন্তৰ্ভুক্ত কৰিছে। সেইবাবে প্ৰশাসনিক সংস্কাৰ হৈছে এক জ্ঞাত বা অজ্ঞাত পৰিকল্পিত পৰিবৰ্তন যিয়ে দেশৰ প্ৰশাসনিক ব্যৱস্থাটোক পৰিকল্পিত পৰিবৰ্তন প্ৰদান কৰাৰ লগতে দেশৰ ৰাজনৈতিক আৰু সামাজিক গাঁঠনিটো পৰিকল্পিত ব্যৱস্থাপনা নিৰ্দ্ধাৰণ কৰি দিয়ে।

১৫.৩ ভাৰতৰ প্ৰশাসনিক সংস্কাৰৰ প্ৰয়োজনীয়তা

এইটো এটা সাৰ্বজনীন ভাবে গ্ৰহনযোগ্য সত্য যে, প্ৰত্যেক ৰাজনৈতিক ব্যৱস্থাতে চৰকাৰৰ প্ৰশাসনিক ব্যৱস্থাটো বিকাশ আৰু উন্নীত কৰিবৰ বাবে পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰয়োজন। ভাৰতে স্বাধীনতাৰ পৰবৰ্তী সময়ত পৰম্পৰাগত ভাৱে লাভ কৰা শক্তিশালী প্ৰশাসনিক ব্যৱস্থাৰ বাবে ব্যৱহাৰিক দিশত উপযুক্ত ভাবে অৰ্থনৈতিক আৰু সামাজিক প্ৰত্যাহ্বানত পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল। এই ব্যৱস্থাই ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাত পৰিবৰ্তন দাবী কৰিছিল আৰু প্ৰমাণ কৰিছিল যে ভাৰতৰ আৰ্থ-সামাজিত বিকাশৰ বাবে এক সংস্কাৰ কামী পৰিবৰ্ধিত কৰ্মসূচীৰ প্ৰয়োজন। এইটোএ হৈছে ভাৰতৰ প্ৰশাসনিক সংস্কাৰৰ মূল উদ্দেশ্য যিয়ে ভাৰতৰ শাসন ব্যৱস্থাত সততা প্ৰদান কৰাৰ লগতে যোগ্য আৰু কাৰ্যক্ষম কৰি তোলে। ভাৰতৰ প্ৰশাসনিক সংস্কাৰ দুটা ব্যৱস্থাত আলোচনা কৰা হ'ল-

- **স্বাধীনতাৰ পূৰ্ব প্ৰশাসনিক সংস্কাৰ ঃ** এই সময় ছোৱাত বৃটিছ শাসকে বহু সমিতি গঠন কৰিছিল যিবোৰে ভাৰতৰ প্ৰশাসনিক সংস্কাৰৰ বাবে পৰামৰ্শ প্ৰদান কৰিছিল। ইয়াৰ ভিতৰত মকলে সমিতি 'লোক সেৱা পৰীক্ষা নিয়ন্ত্ৰক - ১৮৫৪) এই টিচন আয়োগ (১৮৮৯-৮৭) বয়েন আয়োগ ক্ষমতা বিকেন্দ্ৰী কৰণৰ ওপৰত (১৯৩৭-১৯০৯) মে'ওৱেল আয়োগ (১৯৩৫-৩৬) ইত্যাদি।
- **প্ৰশাসনিক সংস্কাৰৰ বাবে স্বাধীনতাৰ পিছত লোৱা পদক্ষেপ ঃ** স্বাধীনতাৰ পিছৰ পৰা যদি আমি লক্ষ্য কৰো ভাৰতৰ প্ৰশাসনিক সংস্কাৰৰ বাবে প্ৰায় ৫০ খন সমিতি কেন্দ্ৰীয় পৰ্যায়ত গঠন কৰা হৈছে। ইয়াৰে কিছুমান হ'ল- সচিবালয় অনুমোদিত সমিতি (১৯৪৭) অৰ্থনৈতিক সমিতি, (১৯৪৮) আয়েংগাৰ সমিতি (১৯৪৯) গডবালা প্ৰতিবেদন ১৯৫১,

ইত্যাদি। ইয়াৰ পৰবৰ্তি সময়তো বহু সমিতি আৰু আয়োগ গঠন কৰা হৈছে যাতে ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাত পৰিবৰ্তন সাধন কৰি কাৰ্যক্ষম কৰিব পাৰি। ইয়াৰ ভিতৰত- প্ৰশাসনিক সংস্কাৰ আয়োগ, ১৯৬৬ আৰু দ্বিতীয় প্ৰশাসনিয় সংস্কাৰ আয়োগ, ২০০৫ যিয়ে ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাত এক আমূল পৰিবৰ্তন সাধন কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতৰ প্ৰশাসনিক সংস্কাৰৰ বাবে স্বাধীনতাৰ পূৰ্বে গঠন কৰা দুখন সমিতিৰ নাম লিখা।

.....

প্ৰশ্ন নং ২ ঃ স্বাধীনতাৰ পৰৱৰ্তী সময়ত প্ৰশাসনিক সংস্কাৰৰ বাবে গঠন কৰা দুখন সমিতিৰ নাম লিখা।

.....

.....

১৫.৪ প্ৰথম প্ৰশাসনিক সংস্কাৰ আয়োগ (First Administrative Reforms Commisson -ARC), ১৯৬৬ আৰু দ্বিতীয় প্ৰশাসনিক সংস্কাৰ আয়োগ (Second Administrative Reforms Commisson -ARC) , ২০০৫ ৰ পৰ্যালোচনা ঃ

১৫.৪.১ প্ৰথম প্ৰশাসনিক সংস্কাৰ আয়োগ (ARC), ১৯৬৬

১৯৬৬ চনৰ ৫ জানুৱাৰী তাৰিখে ভাৰত চৰকাৰৰ গৃহ বিভাগে প্ৰথম প্ৰশাসনিক সংস্কাৰ আয়োগ গঠন কৰে আৰু ভাৰতৰ লোক প্ৰশাসনৰ উদ্দেশ্য পুনৰ গঠনৰ বাবে অনুমোদন জনায়। প্ৰথমে মোৰাজী দেশায়ে এই আয়োগৰ অধ্যক্ষতা কৰিছিল যদিও তেওঁ ভাৰতৰ উপপ্ৰধানমন্ত্ৰী পদত অধিস্থিত হোৱা কে. হনুমানথৈয়াক অধ্যক্ষৰ পদ প্ৰদান কৰা হয়। এই আয়োগ গঠনৰ মূল উদ্দেশ্য আছিল ভাৰতৰ লোক প্ৰশাসন মূল লক্ষ্যত উপনীত হোৱা আৰু তলত উল্লেখ কৰা ক্ষেত্ৰ সমূহ সাম্ভাব্য পৰিবৰ্তন সাধন কৰা।

- কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্ক।
- সকলো পৰ্যায়তে পৰিকল্পিত ব্যৱস্থাপনা কৰা।
- ৰাজ্যিক পৰ্যায়ৰ লগতে জিলা পৰ্যায়ৰ প্ৰশাসন।
- লোক প্ৰশাসনৰ গোট সমূহৰ পুনৰ গঠনৰ ব্যৱস্থাপনা।
- ভাৰত চৰকাৰৰ গঠন আৰু কাৰ্যাৱলীৰ পদ্ধতি।
- কৃষিখণ্ডৰ প্ৰশাসন।

ওপৰত ভিত্তি কৰা বিষয় সমূহৰ ওপৰত ভিত্তি কৰি প্ৰশাসনিক সংস্কাৰ আয়োগে (১৯৬৬) ৫৩৭ টা গুৰুত্ব পূৰ্ণ অনুমোদনেৰে ২৩ টা প্ৰতিবেদন জমা কৰিছিল ইয়াৰে কিছুমান হ'ল-

- যোগ্যতা আৰু কৰ্তব্যৰ প্ৰকৃতি আৰু দায় বদ্ধতাৰ ভিত্তিত প্ৰশাসনিক ব্যৱস্থাৰ একত্ৰীকৰণ।

- প্ৰথম শ্ৰেণীৰ বিষয়াবৰ্গৰ নিযুক্তিৰ বাবে একক লিখিত প্ৰতিয়োগিতামূলক পৰীক্ষা অনুষ্ঠিত কৰা আৰু নিম্নতম বয়সৰ সীমা ২৬ বছৰ নিৰ্দ্ধাৰণ কৰা।
- দ্বিতীয় শ্ৰেণীৰ নিয়োগৰ ধাৰাবাহিকতাৰ ব্যৱস্থা কৰা।
- কেৰাণী পৰ্যায়ৰ নিয়োগৰ বাবে পৰীক্ষাসমূহ বস্তুনিষ্ঠ পৰীক্ষাৰে অনুষ্ঠিত কৰা।
- কেন্দ্ৰীয় চৰকাৰৰ অধিনৰ কিছুমান নিযুক্তি ৰাজ্যিক চৰকাৰৰ অধিনৰ বিষয়া সকলৰ পৰা সম্পূৰ্ণ কৰা।
- আয়োগে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ আকাৰ সৰ্বাধিক প্ৰধানমন্ত্ৰীক লৈ ১৬ জন আৰু কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ আকাৰ ৪০ আৰু ৪৫ তকৈ অধিক হ'ব নোৱাৰিব বুলি নিৰ্দ্ধাৰণ কৰিছে।
- এই আয়োগে সংসদীয় সচিবৰ বিলুপ্তিসাধনত অনুমোদন জনায় তিনিতৰপীয়া মন্ত্ৰীপৰিষদ গঠনৰ বাবে পৰামৰ্শ আগবঢ়ায়।
- প্ৰধানমন্ত্ৰীৰ কাৰ্যত আনুষ্ঠানিক সহায় আগবঢ়াবৰ বাবে নতুনকৈ উপ-প্ৰধান মন্ত্ৰী পদৰ সৃষ্টি।
- বিশেষ গুৰুত্বপূৰ্ণ দীৰ্ঘম্যাদি আঁচনি কাৰ্য কৰিকৰণৰ বাবে সকলো বিভাগকে সহায় কৰিব পৰাকৈ এক নীতি পৰামৰ্শদান সমিতি গঠন কৰা।
- ১৯৬৬ চনৰ প্ৰশাসনিক সংস্কাৰ আয়োগে এক লোকায়ুক্ত শুনানি আপিল আয়োগ গঠন কৰে যাৰ দ্বাৰা বিষয়া সকলে গুৰুত্বপূৰ্ণ শাস্তিৰ বিৰুদ্ধে আৱেদন জনাব পাৰে।

● ARC, ১৯৬৬ ৰ পৰামৰ্শৱলীৰ কাৰ্যকৰীকৰণ

প্ৰশাসনিক সংস্কাৰ আয়োগে প্ৰস্তুত কৰা অধিক সংখ্যক পৰামৰ্শৱলী পদ্ধতিগত প্ৰকৃতিৰ। এই পৰামৰ্শৱলী সমূহ কাৰ্যকৰী কৰিবৰ চৰকাৰে কিছুমান নিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিছিল। সেইবোৰ হ'ল-

- কেন্দ্ৰীয় সচিবালয়ৰ কাৰ্য সম্পাদনৰ বাবে চৰকাৰৰ সন্মতি সাপেক্ষে আমোলা প্ৰশাসনৰ আৰম্ভনি কৰে।
- প্ৰাৰ্থী বাছনিৰ বাবে আয়োগে পৰামৰ্শ প্ৰতিযোগিতা মূলক পৰীক্ষা সমূহত দিয়া উৰ্দ্ধতম বয়সৰে সীমা ২৪ ৰ পৰা ২৬ বৃদ্ধি কৰাটোও গ্ৰহণ কৰে।
- প্ৰথম শ্ৰেণীৰ অভিযন্তা পদৰ প্ৰাৰ্থীৰ প্ৰৱেশনৰ বাবে সাক্ষাৎকাৰৰ পৰিবৰ্তে লিখিত পৰীক্ষা অনুষ্ঠিত কৰিব লগা পৰামৰ্শটোও চৰকাৰে গ্ৰহণ কৰে।

যদিও এই আয়োগৰ কাৰ্যাৱলীয়ে বহুক্ষেত্ৰত আকৰ্ষিত কৰিছিল, ইয়াৰ কিছুমান পৰামৰ্শৱলী কাৰ্যকৰিও হৈছিল তথাপিও ইয়াৰ কিছুমান অংশত আয়োগৰ ভূমিকা সমালোচিতও হৈছিল। বহু সমালোচকৰ মতে এই আয়োগে প্ৰদান কৰা পৰামৰ্শৱলী সমূহ ইমানেই বিশাল আৰু ব্যাপক আছিল যে তাক কাৰ্যকৰী কৰিবৰ বাবে আন বহু আয়োগৰ পৰামৰ্শৱলীৰ প্ৰয়োজন হৈছিল। আন বহু সমালোচকৰ মতে এই আয়োগে প্ৰদান কৰা পৰামৰ্শৱলী সমূহ বাস্তাৱ সন্মত আছিল। আন কিছুমান সমালোচকৰ মতে আয়োগে লোক প্ৰশাসনৰ দৈনন্দিন কাৰ্যাৱলীৰ প্ৰকৃতি আৰু পদ্ধতি

অনুসৰণ কৰাতকৈ বিভাগ আৰু কার্যালয় গঠনতহে অধিক গুৰুত্ব প্রদান কৰিছে।

যি কি নহওঁক এই সমালোচনা সমূহ থকা স্বত্বেও ১৯৬৬ চনৰ প্রশাসনীয় সংস্কাৰ আয়োগৰ গঠনমূলক পৰামর্শৱলীয়ে সোকপ্রশাসনৰ যোগ্যতাৰ মর্যদা বৃদ্ধিত নতুন মাত্রা প্রদান কৰে।

১৫.৪.২ দ্বিতীয় প্রশাসনীয় সংস্কাৰ আয়োগ (ARC), আগষ্ট, ২০০৫

ভাৰত চৰকাৰে ২০০৫ চনৰ ৩১ আগষ্টত দ্বিতীয় খন প্রশাসনীয় সংস্কাৰ আয়োগ গঠন কৰে। এই আয়োগ গঠনৰ মূল উদ্দেশ্য আছিল লোক প্রশাসনৰ সকলোবোৰ দিশ চালি-জাৰি চাই ইয়াক এক নতুন মাত্রা প্রদান কৰা। এই আয়োগ খন কর্ণাটকৰ প্রাক্তন মুখ্যমন্ত্রী বীৰাপ্পা মেলীৰ সভাপতিত্বত আন কেইবাজনো সদস্যৰে গঠন কৰা হয়। আয়োগে এক দায়িত্বশীল চৰকাৰ গঠনৰ বাবে মত আগবঢ়ায় যি একে সময়তে যোগ্য, সক্রিয় আৰু দায়বদ্ধ হ'ব পাৰে। আয়োগক প্রশাসনৰ সাংগঠনিক গাঁঠনি চৰকাৰ, যুক্তৰাষ্ট্রিয় বৈশিষ্ট পৰিচালনাৰ স্থানিয় স্বায়ত্ব শাসন, নাগৰিক জনিত প্রশাসন বিত্তিয় পৰিচালনাৰ শক্তিশালী কৰণ প্রশাসনৰ নৈতিকতা, ব্যক্তিগত প্রশাসনৰ সক্রিয়ত ইত্যাদি বিষয়ত মতামত প্রদানৰ বাবে কোৱা হয়।

ইয়াৰ ওপৰিও আয়োগক নির্দেশ দিয়া হব য়ে- প্রতিৰক্ষা, ৰেলবিভাগ, বহিঃ বিভাগ নিৰাপত্তা, ন্যাসিক সংস্কাৰ ইত্যাদি বিষয় পর্যালোচনাৰ পৰা বাহিৰত ৰাখিবলৈ পৰামর্শ দিয়ে। এই বিষয় সমূহৰ ওপৰত ভিত্তি কৰি আয়োগে ১৫ খন প্রতিবেদন বিবেচনাৰ বাবে দাখিল কৰে। ARC ২০০৫ ৰ কিছুমান পৰামর্শৱলী তলত উল্লেখ কৰা হ'ল।

- ২০০৫ চনৰ তথ্যজনাৰ অধিকাৰ আইনৰ সু-প্রয়োগৰ বাবে নাগৰিকৰ সক্রিয়তাৰে এক প্রয়োগিক পদ্ধতিৰ ব্যৱস্থা কৰা।
- প্রাকৃতিক বা মানৱসৃষ্ট দুর্যোগৰ মোকাবিলাৰ বাবে এক ব্যৱস্থাপনা কৰা।
- ন্যায় ব্যৱস্থাৰ উন্নিতকৰণ আৰু সকলোৰে বাবে শান্তিৰ বাবে উপযুক্ত ব্যৱস্থা গ্রহণ কৰা।
- বিবাদ মীমাংসা আৰু শান্তি প্রক্রিয়া শক্তিশালী কৰণৰ বাবে উপযুক্ত ব্যৱস্থা গ্রহণ কৰা।
- সন্ত্রাসবাদী আক্রমনৰ ওপৰত পৰামর্শৱলী
- সামাজিক মূলধন উন্নীতকৰণৰ বাবে ব্যৱস্থা গ্রহণ
- অসামৰিক সেৱাৰ প্রার্থীৰ নিযুক্ত, প্রশিক্ষন দায়িত্ব অর্পন বিষয়ত আয়োগৰ পৰামর্শ প্রদান।
- সমাজৰ নির্যাতিত লোকৰ অধিকাৰ সুৰক্ষাৰ বাবে ৰাজ্যিক আৰু ৰাষ্ট্রীয় পর্যায়ত বিশেষ অনুষ্ঠানৰ ব্যৱস্থপনা কৰা।
- বিত্তিয় পৰিচালন ব্যৱস্থা শক্তিশালী কৰা।
- ন্যায় ব্যৱস্থাৰ উন্নীতকৰণ আৰু গণ নির্দেশ সম্পর্কীয় বিষয়ৰ ওপৰত পৰামর্শ দিয়া।
- চৰকাৰৰ আন্তঃ গাঁঠনিত সংস্কাৰ সাধন কৰি ইয়াক অধিক ফলপ্রসু আৰু সক্রিয় কৰা।
- ৰাজ্যিক বা জিলা পর্যায়ৰ প্রশাসনে আধুনিকক ব্যৱস্থা গ্রহণ কৰি প্রশাসনৰ লগত জনগণৰ সহযোগ বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰা।

২০০৫ চনৰ প্ৰশাসনিক সংস্কাৰ আয়োগৰ পৰামৰ্শৱলীৰ ভিত্তিত ২০০৭ চনৰ ৩০ মাৰ্চত মন্ত্ৰীসকলৰ এটা গোট (A Group of Ministers- GoM) গঠন কৰা হয় যিয়ে পৰামৰ্শাৱলী সমূহ পৰ্যালোচনা কৰি কাৰ্যকৰিকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। মন্ত্ৰী গোটৰ সিদ্ধান্ত সমূহ পৰ্যালোচনা কৰি কাৰ্যকৰীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। মন্ত্ৰী গোটৰ সিদ্ধান্ত সমূহ কাৰ্যকৰি কৰণৰ প্ৰতিটো পদক্ষেপতেই গ্ৰহন কৰা হ'ব। অষ্টম প্ৰতিবেদনত উল্লেখিত "সন্ত্ৰাস বাদীৰ আক্ৰমন ৰ পৰামৰ্শটো গৃহ দপ্তৰ বিভাগে গ্ৰহন কৰি ইয়াৰ ওপৰত প্ৰয়োজনীয় ব্যৱস্থা ইতিমধ্যে গ্ৰহন কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ (ARC) ১৯৬৬ যে সংসদীয় সচিবৰ বিলুপ্তি সম্পৰ্কে পৰামৰ্শ দিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৪ ঃ (ARC) ১৯৬৬ যে উল্লেখ কৰা লোক প্ৰশাসনৰ যি কোনো চাৰিটা ক্ষেত্ৰ (area) উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ (ARC), ২০০৫ যে উল্লেখ কৰা লোক প্ৰশাসনৰ যি কোনো চাৰিটা ক্ষেত্ৰ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৬ ঃ (ARC) ২০০৫ যি কোনো ৫ টা পৰামৰ্শৱলী উল্লেখ কৰক ।

.....

.....



১৫.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কাৰ শব্দৰ অৰ্থ হৈছে অধিক ভালে জীৱনৰ বাবে নতুন আকাৰ বা পৰিৱৰ্তন অনা। অন্য শব্দত সংস্কাৰে ইয়াকে বুজাই যে যি কোনো পদ্ধতিতে গাঁঠনিগত বা ব্যৱহাৰিক দিশত পৰিবৰ্তন সাধন কৰা।
- পৰ্যালোচনাৰ ওপৰত ভিত্তি কৰি কব পাৰি যে প্ৰশাসনিক সংস্কাৰে ৰাজহুৱা খণ্ডৰ সংগঠন সমূহৰ গাঁঠনিগত আৰু কাৰ্যাৱলীৰ ক্ষেত্ৰত পদ্ধতিগত পৰিৱৰ্তন সাধন কৰে।

- প্ৰশাসনিক সংস্কাৰ সাধনৰ মূল উদ্দেশ্য হৈছে লোক প্ৰশাসনৰ প্ৰশাসনিক আৰু পৰিচালন প্ৰক্ৰিয়া বৰ্দ্ধিত কৰি ৰাষ্ট্ৰীয় লক্ষ্যত উপনিত হোৱা।
- প্ৰশাসনিক সংস্কাৰ সেইবাবে এক পৰিকল্পিত ৰাষ্ট্ৰব্যাপি থকা এক পৰিৱৰ্তিত পদ্ধতি যিয়ে ব্যাপক ৰাজনৈতিক আৰু সামাজিক পদ্ধতিক নিৰ্দ্ধাৰিত কৰে।
- স্বাধীনতাৰ সময়ৰ পৰা প্ৰশাসনিক সংস্কাৰ কাৰ্যকৰী হৈ আছে আৰু প্ৰায় ৫০ খনৰ অধিক আয়োগ আৰু সমিতি ৰাষ্ট্ৰীয় পৰ্যায়ত গঠন কৰা হৈছে।
- এইবোৰ সমিতিৰ ওপৰিও প্ৰশাসনিক সংস্কাৰৰ বাবে বহুবোৰ আয়োগ গঠন কৰা হৈছে, যেনে প্ৰশাসনিক সংস্কাৰ আয়োগ ১৯৬৬ আৰু দ্বিতীয় প্ৰশাসনিক সংস্কাৰ আয়োগ ২০০৫.
- ১৯৬৬ চনৰ ৫ জানুৱাৰী তাৰিখে ভাৰত চৰকাৰৰ গৃহ দপ্তৰ বিভাগে লোক প্ৰশাসনৰ সংস্কাৰ সাধনৰ বাবে প্ৰথম প্ৰশাসনিক সংস্কাৰ আয়োগ গঠন কৰে।
- প্ৰথমে আয়োগৰ অধ্যক্ষতা মোৰাজী দেশায়ে কৰিছিল যদিও তেওঁ ভাৰতৰ উপ প্ৰধান মন্ত্ৰী পদত অধিস্থিত হোৱাত আয়োগৰ অধ্যক্ষ হয় কে. হনুমানথৈয়া।
- এই আয়োগ গঠনৰ মূল উদ্দেশ্য আছিল কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্ক আৰু প্ৰশাসনৰ প্ৰতিটো পৰ্যায়তে পৰিকল্পনাৰ ব্যৱস্থাপনাত সংস্কাৰ সাধন।
- ভাৰত চৰকাৰৰ দ্বাৰা ২য় প্ৰশাসনিক সংস্কাৰ আয়োগ ২০০৫ চনৰ ৩১ আগষ্টত গঠন কৰা হয়। লোক প্ৰশাসনক উন্নিত আৰু নতুন ৰূপ দিবৰ বাবে এই আয়োগ গঠন কৰা হৈছিল।
- এই আয়োগৰ অধ্যক্ষ আছিল কৰ্ণাটকৰ প্ৰাক্তন মুখ্য মন্ত্ৰী বীৰাপ্পা মৈলী আন কেইজন মান অন্য সদস্যৰে এই আয়োগ গঠন কৰা হৈছিল। তেওঁলোকক দায়িত্ব অৰ্পন কৰা হৈছিল যাতে তেওঁলোকৰ পৰামৰ্শৰলীৰে এখন দায়িত্বশীল আৰু দক্ষ্য চৰকাৰ গঠন কৰিব পাৰি।
- তেওঁলোকক আৰু কোৱা হৈছিল যে তেওঁলোকৰ পৰামৰ্শৰলীত চৰকাৰৰ সাংগঠনিক গাঁঠনিত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাসমূহ সম্পৰ্ক মুক্ত হৈ থাকে।
- এই ARC ২০০৫ যে ১৫ খন প্ৰতিবেদন দাখিল কৰে আৰু তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ ৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।
- ARC ২০০৫ ৰ পৰামৰ্শৰ ভিত্তিত ভাৰত চৰকাৰে ২০০৭ চনৰ ৩০ মাৰ্চত এক মন্ত্ৰী গোট (GoM) গঠন কৰে।
- এই প্ৰতিবেদনক সন্মান জনাই মন্ত্ৰীগোটে ইয়াক কাৰ্যকৰীকৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহন কৰে।



১৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। স্নাতক মহলাৰ লোক প্ৰশাসন — ড° কৃপেশচন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক।

২। স্নাতক লোক প্ৰশাসন — ড° নিৰু হাজৰিকা।

৩। লোক প্ৰশাসন পৰিচয় — পুৰন্দৰ গগৈ।

ইংৰাজী গ্ৰন্থ ঃ

1) Bhattacharya, Mohit. 2007. *Public Administration*. Kolkata : The World Press Private Ltd.

2) Mehta, Vinod. 2000. *Reforming Administration in India*. Har-Anand Publications.



১৫.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (i) মেকলে সমিতি যিয়ে লোক সেৱা পৰীক্ষা সমূহ অনুষ্ঠিত কৰে।
(ii) এইট্‌চিচন আয়োগ (১৮৮৬-৮৭)

২ নং প্ৰশ্নৰ উত্তৰ ঃ (i) সচিবালয় পুনৰ গঠন কমিটি, ১৯৪৭
(ii) আয়েংগাৰ কমিটি, ১৯৪৯

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (i) কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্ক
(ii) সকলো পৰ্যায়তে পৰিকল্পনাৰ ব্যৱস্থাপনা
(iii) ৰাজ্যিক পৰ্যায়ৰ লগতে জিলা পৰ্যায়ৰ প্ৰশাসন
(iv) কৃষিভিত্তিক প্ৰশাসন

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (i) চৰকাৰৰ সাংগঠনিক গাঁঠনি
(ii) যুক্তৰাষ্ট্ৰীয় সম্পৰ্কীয় বিষয়া
(iii) জিলা প্ৰশাসনৰ সংকটমোচন ব্যৱস্থাসমূহ
(iv) স্থানীয় স্বায়ত্ব শাসন

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (i) চৰকাৰী কাম-কাজৰ বৈদ্যুতিক কৰণৰ উন্নিত কৰণ
(ii) সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ওপৰত পৰামৰ্শৱলী।



১৫.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ কোনে পোন প্ৰথমে প্ৰশাসনিক সংস্কাৰ আয়োগ, ১৯৬৬ ৰ অধ্যক্ষতা কৰিছিল?

প্ৰশ্ন ২ ঃ দ্বিতীয় প্ৰশাসনিক সংস্কাৰ আয়োগ কোন চনত গঠন কৰা হৈছিল?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰশাসনিক সংস্কাৰ বুলিলে আপুনি কি বুজে।

প্ৰশ্ন ২ ঃ সংস্কাৰ প্ৰয়োজনীয়তাৰ দুটা কৰেণ বিশ্লেষণ কৰক।

প্ৰশ্ন ৩ ঃ স্বাধীনতাৰ পৰবৰ্তী সময়ৰ পৰা প্ৰশাসনিক সংস্কাৰ পদক্ষেপ সমূহ চমু কৈ লিখক।

প্ৰশ্ন ৪ ঃ প্ৰশাসনিক সংস্কাৰ আয়োগ, ২০০৫ ৰ পাঁচ টা পৰামৰ্শৱলী উল্লেখ কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰথম প্ৰশাসনিক সংস্কাৰ আয়োগ, ১৯৬৬ ৰ ওপৰত এটা টোকা লিখক।

প্ৰশ্ন ২ ঃ দ্বিতীয় প্ৰশাসনিক সংস্কাৰ আয়োগ, ২০০৫ পৰামৰ্শৱলী বিশ্লেষণ কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

ইংৰাজী কিতাপ ঃ

১) Avasthi, Amreswar & Avasthi, Anand Prakash (1999): *Indian Administration*.Agra: Lakshmi Narain Agarwal.

২) Basu, Rumki (2004). *Public Administration-Concepts and Theories*. New Delhi: Sterling Publishers Private Limited.

৩) Bhagwan, Vishnoo and Bhushan, Vidya (2007). *Public Administration*. New Delhi: S.Chand & Company Ltd.

৪) Fadia, Dr.B.L. & Fadia, Dr.B.L. (2000). *Public Administration-Administrative Theories and Concepts*. Agra: Sahitya Bhavan Publications.

৫) Maheshwari, S.R. (2003) : *Indian Administration(sixth edition)*. New Delhi: Orient Longman Private Limited.

৬) Naidu, S. P. (2005), *Public Administarion-Concepts and Theories*. New Delhi: New Age International (P) Ltd.

৭) Sharma, Dr. M. P. & Sadana, Dr. B. L. (2000). *Public Administration in Theory and Practice*. Allahabad: Kitab Mahal.

অসমীয়া কিতাপ ঃ

১) গগৈ, পুৰন্দৰ ২০০৬। *লোক প্ৰশাসন পৰিচয়* । ডিব্ৰুগড় ঃ বনলতা।

২) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ ২০০৭। *স্নাতক মহলাৰ লোক প্ৰশাসন*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

৩) হাজৰিকা, ড° নিৰু ২০০৯। *স্নাতক লোক প্ৰশাসন* । গুৱাহাটী ঃ ষ্টুডেন্ট্চ ষ্টোৰচ।

*** ***** ***